**63/2 (SEM–1) ASMADL14014/ASM101**

**2025**

# ASSAMESE

(Core)

Paper : ASMADL14014

***( Study on Assamese Poetry )***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' কাব্যপুথিখনত সৰ্বমুঠ কেইটা কবিতা সন্নিবিষ্ট হৈছে?

*(i)* ৪০

*(ii)* ৪৫

*(iii)* ১২

*(iv)* ১৪

(খ) প্ৰথম অসমীয়া ছনেট কোনে ৰচনা কৰিছিল?

(i) হেমচন্দ্ৰ গোস্বামী

(ii) চন্দ্ৰকুমাৰ আগৰৱালা

(iii) লক্ষ্মীনাথ বেজবৰুৱা

(iv) যতীন্দ্ৰনাথ দুৱৰা

(গ) যতীন্দ্ৰনাথ দুৱৰাই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(i) আপোন সুৰ

(ii) মিলন সুৰ

(iii) ওমৰ তীৰ্থ

(iv) বনফুল

(ঘ) তলৰ কোনটো আধুনিকতাবাদী কবিতাৰ বৈশিষ্ট্য নহয়?

(i) আবেগৰ প্ৰাবল্য

(ii) প্ৰতীকৰ প্ৰয়োগ

(iii) কথিত ভাষাৰ ব্যৱহাৰ

(iv) মুক্তক ছন্দৰ ব্যৱহাৰ



(ঙ) 'ৰাতিৰ শোভাযাত্ৰা' শীৰ্ষক কাব্যগ্ৰন্থখনৰ কবিগৰাকী হ'ল—

(i) হৰেকৃষ্ণ ডেকা

(ii) সমীৰ তাঁতী

(iii) কুশল দত্ত

(iv) অনুভৱ তুলসী

(চ) বিপুলজ্যোতি শইকীয়াৰ 'নদী-বিলাস' কবিতাটো তেওঁৰ কোনখন কাব্যগ্ৰন্থৰ অৰ্ন্তগত?

(i) মেঘ

(ii) পাহৰণিৰ নৈ

(iii) মহাকাব্যৰ প্ৰথম পাত

(iv) স্বপ্ন-স্মৃতি-বিষাদৰ গাথা

২। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৬×৬=৩৬

(ক) চমু টোকা লিখা ঃ অমূল্য বৰুৱা

(খ) চমু টোকা লিখা ঃ বিপুলজ্যোতি শইকীয়াৰ কবিতাত নদী

(গ) যতীন্দ্ৰনাথ দুৱৰাৰ 'অতীতক নেযাবা পাহৰি' কবিতাত কবিৰ ভৱিষ্য সম্পৰ্কে আস্থা আৰু আশাবাদ কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঘ) 'নাটঘৰ' কবিতাত অতিন্দ্ৰীয়বাদী চেতনা কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঙ) ‘ৰঘুনাথ চৌধাৰীৰ কবিতাত চৰাই’ শীৰ্ষক এক নিবন্ধ যুগুত কৰা।

(চ) নীলমণি ফুকনৰ কবিতাত মৃত্যু চেতনা কিদৰে প্ৰকাশ পাইছে পাঠ্য কবিতাৰ আলমত বিচাৰ কৰা।

(ছ) “আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে—
চিৰশিশু মানুহৰ মহামূঢ়তাত
তামোলৰ পিকসনা আইতাৰ জধলা চুমাত।”
—উক্ত কবিতাফাঁকিৰ ব্যাখ্যা আগবঢ়োৱা।

(জ) ‘জেংৰাই ১৯৬৩’ কবিতাত ব্যক্তিসত্তাৰ দ্বন্দ্ব আৰু সংশয় কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঝ) ‘বেবিলনৰ শূন্যোদান’ কি? বুজাই লিখা।

৩। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪×২=২৮

(ক) চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘অজেয়’ কবিতাত নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ বিপৰীতে মানুহৰ আশাবাদ কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(খ) ‘মমতাৰ চিঠি’ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ কিদৰে ঘটিছে, নিদৰ্শনসহ দেখুওৱা।

(গ) নিৰ্মলপ্ৰভা বৰদলৈৰ ‘ঋতু’ কবিতাটোত বছৰৰ বাৰমাহৰ মাজেৰে প্ৰকৃতিৰ অনবদ্য শোভা কিদৰে প্ৰকাশ পাইছে, নিদৰ্শনসহ দেখুওৱা।



(ঘ) হৰেকৃষ্ণ ডেকাৰ ‘সমুদ্ৰভীতি’ কবিতাত সৃষ্টিৰ ৰহস্য আৰু জীৱনৰ অনিশ্চয়তা কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

**ASSAMESE**

Paper : ASM101

***(History of Modern Assamese Literature)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) চন্দ্ৰকুমাৰ আগৰৱালা

(খ) 'উষা' আলোচনী

(গ) হীৰেন ভট্টাচাৰ্যৰ কবিতা

(ঘ) ৰামধেনু যুগৰ গল্পৰ বৈশিষ্ট্য

(ঙ) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস

*তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবা।*

২। লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যকৃতিৰ পৰিচয় দি তেখেতৰ ৰচনাৰাজিৰ বিশেষত্বসমূহ বিচাৰ কৰা। ১০



৩। অসমীয়া প্ৰগতিশীল সাহিত্যৰ মুখপত্ৰ হিচাপে 'জয়ন্তী' আলোচনীয়ে কেনেধৰণৰ ভূমিকা আগবঢ়াইছিল সেই সম্পৰ্কে এক আলোচনা দাঙি ধৰা। ১০

৪। অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত নাৰীবাদী চেতনাৰ প্ৰকাশ কেনেদৰে ঘটিছে, নিদৰ্শনসহ ব্যাখ্যা কৰা। ১০

৫। 'সাম্প্ৰতিক অসমীয়া শিশু সাহিত্য' শীৰ্ষক এক নিবন্ধ যুগুত কৰা। ১০

*তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা।*

৬। 'আবাহন যুগ'ৰ গল্পৰ বিশেষত্বসমূহ ফঁহিয়াই আলোচনা কৰা। ১৫

৭। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ বিষয়বস্তু আৰু আংগিক সম্পৰ্কে এক আলোচনা আগবঢ়োৱা। ১৫

৮। সাম্প্ৰতিক অসমীয়া নাটকৰ বিষয়ে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা। ১৫

———